**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2024
**Time :** 0900 Hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাজ্যত লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ। বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ তামুলপুৰত প্ৰচাৰ অভিযান।

২। দীপৰ বিলৰ বন্যপ্ৰাণী অভয়াৰণ্যৰ স্বীকৃতি প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰৰ কেবিনেট সিদ্ধান্তক লৈ জাননী জাৰিত উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

০০০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিশেষকৈ প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া কাজিৰঙা, ডিব্ৰুগড়, লখিমপুৰ, শোণিতপুৰ আৰু যোৰহাট লোকসভা সমষ্টিত ব্যাপক প্ৰচাৰ অভিযান চলিছে। শাসকীয় বিজেপি আৰু অসম গণ পৰিষদকে ধৰি বিৰোধী কংগ্ৰেছ, আম আদমী পাৰ্টী, ইউ পি পি এল, বি পি এফ আদি দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিতাবৰ, মৰিয়নী আৰু নাজিৰাত নিৰ্বাচনী সভাত ভাগ ল'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলাব। ইপিনে, অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তইও মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে।

আনহাতে, যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। সমষ্টিটোৰ অন্তৰ্গত আটাইকেইটা বিধানসভা সমষ্টিত কংগ্ৰেছ, চি পি আই এম, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ সমৰ্থকসকলে প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে।

বি পি এফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি তামুলপুৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অসম জাতীয় পৰিষদ আৰু বিৰোধী ঐক্যমঞ্চৰ উমৈহতীয়া প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে কালি নাহৰকটীয়াত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভা সম্বোধন কৰে। প্ৰাৰ্থীগৰাকীৰ প্ৰচাৰত ব্যাপক সংখ্যক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। শ্ৰী গগৈৰ প্ৰচাৰ অভিযানত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাকে ধৰি কেইবাগৰাকীও বিৰোধী ৰাজনৈতিক নেতাই অংশগ্ৰহণ কৰে।

ইপিনে, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কালি চৰাইদেউত যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈৰ হৈ প্ৰচাৰ চলায়। চৰাইদেউ বিধানসভা সমষ্টিৰ তিনিটা স্থানত তেওঁ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে শিৱসাগৰ নগৰত অনুষ্ঠিত নিৰ্বাচনী সভাতো তপন গগৈক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়।

মন্ত্ৰী পীযুষ হাজৰিকাই যোৰহাট সমষ্টিৰ অন্তৰ্গত ঘৰফলীয়াত বিজেপিৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। গৌৰৱ গগৈয়ে যোৰহাটৰ গড়মূৰত দলীয় সমৰ্থকক লৈ মটৰ চাইকেল সমদলেৰে নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ আৰু কাজিৰঙা সমষ্টিৰ ৰ'জলীনা টিৰ্কীয়েও প্ৰচাৰ অব্যাহত ৰাখিছে। নৱগঠিত কাজিৰঙা সমষ্টিৰ অন্তৰ্গত ৰাজাগাঁও, বৰপথাৰ, শিঙিমাৰী আৰু বকুলগুৰিত ৰ'জলীনা টিৰ্কীয়ে কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাত প্ৰাৰ্থীগৰাকীক জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই সহযোগ কৰে। আনহাতে, চিৰাঙৰ বিজনীত বিজেপিৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত ৫ শতাধিক যুৱক-যুৱতীয়ে বিজেপিত যোগদান কৰে। কোকৰাঝাৰতো ইউ পি পি এলৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। বৰপেটাত অসম গণ পৰিষদৰ বুথ সমিতিৰ এখন কৰ্মীসভা আজি অনুষ্ঠিত হয়। বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ কাৰ্যালয়ত অনুষ্ঠিত কৰ্মীসভাত দলটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপস্থিত থাকে। বিভিন্ন বুথ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকা এই সভাখনত কলিতাই বুথ শক্তিশালী কৰিবলৈ সকলোকে সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়।

00000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম আৰু পশ্চিমবংগত পৰৱৰ্তী ৭ দিনত বিজুলী-ঢেৰেকণিৰে মজলীয়া বৰষুণ হ'ব পাৰে আৰু প্ৰতি ঘণ্টাত ৫০ কিলোমিটাৰ পৰ্যন্ত বেগেৰে বতাহ বলিব পাৰে। ঝাৰখণ্ড আৰু ওড়িশাত আজি একেধৰণৰ বতৰ হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে।

0000000

ভাৰতীয় নিৰ্বাচন আয়োগ লোকসভা নিৰ্বাচনৰ ভোটদানৰ আগদিনা আৰু ভোটদানৰ দিনা বাতৰি কাকতত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশত যথেষ্ট কঠোৰ হৈছে। এই দুয়োটা দিনতে প্ৰকাশ পাবলগীয়া ৰাজনৈতিক বিজ্ঞাপনসমূহ ৰাজ্যিক অথবা জিলা পৰ্যায়ৰ এম চি এম চিৰ পৰা প্ৰাৰম্ভিক প্ৰমাণ পত্ৰ ল'ব লাগিব। ভাৰতৰ নিৰ্বাচন আয়োগৰ অধীনস্থ সচিব ৰাজেশ কুমাৰ সিঙে যোৱা পহিলা এপ্ৰিলত এখন পত্ৰযোগে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ নিৰ্দেশনা প্ৰদান কৰিছে। পত্ৰযোগে কোৱা হৈছে যে এনে বহু বিজ্ঞাপনে নিৰ্বাচনত জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ লগতে নিৰপেক্ষ ভোটদানত বাধাৰ সৃষ্টি কৰে। সেয়ে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ ধাৰা অনুযায়ী নিৰ্বাচন আয়োগে পূৰ্বে অনুমতি নোলোৱা বিজ্ঞাপন প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে।

00000000

ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰতিটো ই ভি এম মেচিনৰ ওপৰত দেশৰ নিৰ্বাচন আয়োগে চোকা নজৰ ৰাখিব। নিৰ্বাচন সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়গে এই পদক্ষেপ গ্ৰহণ কৰিছে । সেই মৰ্মে আয়োগে ই ভি এমৰ গতিপথ অহৰহ নজৰত ৰাখিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনপুৰাগ গোৱেলে সাংবাদিকৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰে।

00000000

নিৰ্বাচন আয়োগে সামাজিক মাধ্যমযোগে ১৫ লাখ ই ভি এম হেৰুওৱাৰ প্ৰচাৰিত বাৰ্তা ভুৱা বুলি অভিহিত কৰিছে। আয়োগে সামাজিক মাধ্যমযোগে কৈছে যে এই বাৰ্তা ভুৱা আৰু বিভ্ৰান্তিকৰ। আয়োগে লগতে কোনো ই ভি এম হেৰুওৱা নাই আৰু উচ্চতম ন্যায়ালয়েও ই ভি এম হেৰুওৱা সন্দৰ্ভত দাখিল কৰা একাধিক আবেদন খাৰিজ কৰিছে বুলি উল্লেখ কৰিছে। জনসাধাৰণে বিশ্বাসযোগ্য তথ্যৰ বাবে আয়োগৰ চৰকাৰী ৱেবছাইট চাব লাগে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

0000

লোকসভা নিৰ্বাচনৰ পাছতে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ মাজত একত্ৰীকৰণ হ'ব বুলি লুৰিণজ্যোতি গগৈ আৰু অখিল গগৈয়ে এখন নিৰ্বাচনী সভাত প্ৰকাশ কৰিছে। কালি ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈৰ এখন প্ৰচাৰ সভাত অংশ লৈ ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে এই কথা প্ৰকাশ কৰে। নামৰূপৰ ডঃ ভূপেন হাজৰিকা মুকলি প্ৰেক্ষাগৃহত অনুষ্ঠিত এই নিৰ্বাচনী সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰা, প্ৰাক্তন মন্ত্ৰী প্ৰণতি ফুকনকে ধৰি বিৰোধী ঐক্য মঞ্চৰ দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে দীপৰ বিলৰ বন্যপ্ৰাণী অভ্যায়াৰণ্যৰ স্বীকৃতি প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকে গ্ৰহণ কৰা সিদ্ধান্তক লৈ জাননী জাৰি কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। ৰাজ্যৰ অন্যতম বৃহৎ জলাশয়টোৰ সুৰক্ষাক লৈ ন্যায়ালয়ত বিচাৰাধীন এটা গোচৰত দাখিল কৰা এখন হস্তক্ষেপমূলক আবেদনৰ শুনানিৰ পাছত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুই আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে এই ৰায় দিয়ে। শুনানিত ৰাজ্য চৰকাৰৰ পৰা সদৰি কৰা হয় যে যোৱা ২৭ মাৰ্চত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত দীপৰ বিলৰ বন্যপ্ৰাণী অভ্যায়াৰণ্যৰ স্বীকৃতি কৰ্তনৰ সিদ্ধান্ত লোৱা হৈছিল। অৱশ্যে এই সন্দৰ্ভত এতিয়ালৈকে কোনো জাননী জাৰি কৰা হোৱা নাই। কাৰণ জাননী জাৰি কৰিবলৈ হ'লে প্ৰথমতে ৰাজ্যিক পৰ্যায়ৰ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বন্যপ্ৰাণী পৰিষদৰ পৰা অনুমতি ল'ব লাগিব। উচ্চতম ন্যায়ালয়ৰো অনুমতি লাগিব। তেনে অনুমতি এই পৰ্যন্ত নথকাৰ বাবেই কেবিনেট সিদ্ধান্তৰ ভিত্তিত চৰকাৰে জাননী জাৰি কৰিব পৰা নাই। উল্লেখযোগ্য যে ২০০৯ চনত দীপৰ বিলক বন্যপ্ৰাণী অভ্যায়াৰণ্য ঘোষণা কৰা হৈছিল।

oooooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ সৈতে সংগতি ৰাখি পৰীক্ষা তথা মূল্যায়ন পদ্ধতিত কিছু সাল-সলনি ঘটাইছে। নতুন পদ্ধতি অনুসৰি এতিয়া দক্ষতাভিত্তিক প্ৰশ্ন অধিক হোৱাৰ পৰিৱৰ্তে বিস্তৃত উত্তৰৰ প্ৰশ্নৰ সংখ্যা কম হ'ব। সংশোধিত নিৰ্দেশাৱলী অনুসৰি একাদশ আৰু দ্বাদশ শ্ৰেণীত বহুবিকল্প প্ৰশ্নৰ ৰূপত দক্ষতাভিত্তিক প্ৰশ্নসমূহ পূৰ্বৰ ৪০ শতাংশৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। আনহাতে, ২০২৪-২৫ শিক্ষা বৰ্ষত চমু তথা দীঘলীয়া উত্তৰৰ প্ৰশ্নকে ধৰি বিস্তৃত উত্তৰৰ প্ৰশ্নসমূহ ৪০ শতাংশৰ পৰা ৩০ শতাংশলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ নৱম আৰু দশম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাৰ প্ৰশ্নকাকতৰ গাঁথনিত কোনো পৰিৱৰ্তন কৰা হোৱা নাই।

ooooo

বাপতি সাহোন ৰঙালি বিহুটিলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত বয়ন শিল্পৰ সৈতে জৰিত শিল্পীসকল দুঃচিন্তাত পৰিছে। কিয়নো এইবাৰ পাট-মুগা কাপোৰৰ বিক্ৰী যথেষ্ট হ্ৰাস পোৱা বুলি শুৱালকুছিৰ বস্ত্ৰ ব্যৱসায়ীসকলৰ পৰা জানিব পৰা গৈছে। ইপিনে এছাম অসাধু ব্যৱসায়ীয়ে শুৱালকুছিৰ পাট কাপোৰৰ আঁহিত বহিঃ ৰাজ্যৰ পাৱাৰলুমত উৎপাদিত অতি নিম্নমানৰ বেনাৰসী আৰু পলিয়েষ্টাৰ মেখেলা-চাদৰ বিক্ৰী কৰি শুৱালকুছিৰ বস্ত্ৰ শিল্পলৈ শংকা কঢ়িয়াই আনিছে। শুৱালকুছিৰ আপুৰুগীয়া বস্ত্ৰ শিল্পক জীয়াই ৰাখিবলৈ বস্ত্ৰ ব্যৱসায়ীসকলে জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে কৈছে যে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি ৪ দশমিক ৫ শতাংশ হোৱাৰ সম্ভাৱনা আছে। আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে দ্বি-মাসিক মুদ্ৰানীতি ঘোষণা কৰি কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ২০২২ চনৰ এপ্ৰিলৰ ৭ দশমিক ৮ শতাংশৰ তুলনাত মুদ্ৰাস্ফীতি যথেষ্ট হ্ৰাস পাইছে। তেওঁ লগতে কয় যে মুদ্ৰাস্ফীতি হ্ৰাস পাইছে যদিও এই হাৰ এতিয়াও চৰকাৰে নিৰ্ধাৰণ কৰা ৪ শতাংশৰ ওপৰত আছে। গৱৰ্নৰগৰাকীয়ে কয় যে ২০২৪-২৫ বৰ্ষৰ বাবে প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৭ শতাংশ

হোৱাৰ সম্ভাৱনা আছে। প্ৰথম ত্ৰি-মাসিকৰ এই হাৰ ৭ দশমিক ১ শতাংশ, দ্বিতীয় ত্ৰি-মাসিকৰ ৬ দশমিক ৯ শতাংশ আৰু তৃতীয় তথা চতুৰ্থ ত্ৰি-মাসিকত ৭ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। আৰ বি আইৰ মুদ্ৰানীতি কমিতিয়ে একেৰাহে সপ্তমবাৰৰ বাবে ৰেপ'হাৰ অপৰিবৰ্তিত ৰাখিছে। আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে চলিত বৰ্ষৰ ২৯ মাৰ্চ পৰ্যন্ত দেশৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত ৬৪ হাজাৰ ৫৬০ কোটি মাৰ্কিন ডলাৰ মজুত আছে আৰু এই পৰিমাণ সৰ্বকালৰ সৰ্বাধিক।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অসমলৈ আহিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে দুদিনীয়া অসম ভ্ৰমণসূচীৰ সময়ত হোজাই, লখিমপুৰ আৰু গহপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আনহাতে, অহা ১৭ এপ্ৰিলত নলবাৰীত হ'বলগীয়া এখন নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জানিবলৈ দিছে। লগতে দলীয় প্ৰচাৰত স্মৃতি ইৰাণী, সাংসদ মনোজ তিৱাৰীয়ে ডিব্ৰুগড় লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি মন্ত্ৰী মল্লবৰুৱাই প্ৰকাশ কৰিছে।

০০০০০

ব্ৰহ্মপুত্ৰৰ চুণচালি ঘাটত গা ধুবলৈ গৈ কালি মহানগৰীৰ তিনিটিকৈ কিশোৰৰ সলিল সমাধি ঘটে। ৰাজ্যিক দূৰ্যোগ প্ৰশমন বাহিনীৰ জোৱানে উদ্ধান অভিযান চলাই দেৱজিৎ ভূঞা আৰু কুকিল দাস নামৰ কিশোৰ দুজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় যদিও বাতৰি লিখাৰ পৰলৈ ৰাহুল দাস নামৰ কিশোৰ জনৰ মৃতদেহৰ সন্ধান উলিয়াব পৰা নাই। মৃত ৰাহুল দাসৰ সন্ধানত ৰাজ্যিক দুৰ্যোগ  প্ৰশমন বাহিনীৰ জোৱানে আজিও ব্ৰহ্মপুত্ৰৰ বুকুত উদ্ধাৰ অভিযান চলাব বুলি জানিব পৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত লোকনিৰ্ণয়-২০২৪ শীৰ্ষক অনুষ্ঠান প্ৰচাৰ হ'ব। এই অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী আৰু মমতা মিশ্ৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, কালি নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাজিত কৰে। চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৬৫ ৰাণ সংগ্ৰহ কৰে। ১৬৬ ৰাণৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা চানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত অ'ভাৰ শেষ হ'বলৈ ১১টা বল বাকী থকা অৱস্থাতেই ৬ উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই মাত্ৰ ১২টা বলত ৩৭ ৰাণ কৰাৰ বিপৰীতে এইডেন মাৰ্কৰামে ৩৬টা বলত ৫০ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ হৈ শিৱম ডুবেই সৰ্বাধিক ৪৫ ৰাণ কৰে। অভিষেক শৰ্মাক প্লেয়াৰ অব দ্যা মেটছ্ ঘোষণা কৰা হয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কৰ্মচাৰী ভোগেশ্বৰী বৰাৰ আজি পুৱা হৃদক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৯ বছৰ।

০০০০০০০০

দীপৰ বিল বন্যপ্ৰাণী অভ্যাৰণ্যৰ সংৰক্ষণৰ বাতিলৰ সিদ্ধান্ত সঠিক নহয় বুলি মন্তব্য প্ৰকাশ কৰি উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক দিয়া নিৰ্দেশৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সৈতে সংগতি ৰাখি একাদশ-দ্বাদশ শ্ৰেণীৰ পৰীক্ষা আৰু মূল্যায়ন পদ্ধতিত ঘটোৱা সাল-সলনিৰ বাতৰি  দৈনিক জনমভূমি কাকতে  প্ৰথম পৃষ্ঠাত প্ৰকাশ  কৰিছে।

সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰড, ছিমেণ্ট, চাউল, আলুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বাতৰি আমাৰ অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কাকতখনে দৰিদ্ৰক বছৰি ১লাখ টকাৰ প্ৰতিশ্ৰুতিৰে কংগ্ৰেছে বিজেপিৰ পূৰ্বে প্ৰকাশ কৰা ইস্তাহাৰৰ বাতৰিকো প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিৰ্বাচনী প্ৰচাৰত অদৃশ্য- কা, নিৰাপদ দূৰত্বত অৱস্থান শাসক বিৰোধী – শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে দৈনিক অগ্ৰদূত কাকতে।

ব্ৰহ্মপুত্ৰত সাঁতুৰিবলৈ গৈ গুৱাহাটী চূণচালিত তিনিগৰাকী কিশোৰৰ সলিল সমাধিৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ লগতে দৈনিক অসম, আমাৰ অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিগত বৰ্ষত পথ দুৰ্ঘটনাৰ পৰিমাণ ২০ দশ মিক ৯ শতাংশ হ্ৰাস পোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মন্তব্যৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে চাহ শ্ৰমিকৰ মজুৰিবৃদ্ধি আৰু মণিপুৰৰ গোষ্ঠীগত সংঘৰ্ষ দূৰ কৰাৰ প্ৰতিশ্ৰুতিৰে কংগ্ৰেছে প্ৰকাশ কৰা ইস্তাহাৰৰ বাতৰি দ্যা আসাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**